**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-07-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ঘানা, ট্ৰিনিডাড আৰু টবাগ', আৰ্জেণ্টিনা ব্ৰাজিল আৰু নামিবিয়াৰ ভ্ৰমণ সূচীৰে ইতিমধ্যে ৰাওনা হৈছে।

২। ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদ আৰু অখিল ভাৰতীয় আয়ুৰবিজ্ঞান প্ৰতিষ্ঠানৰ বিশদ অধ্যয়ণত কোভিড-১৯ প্ৰতিষেধক আৰু কোভিডত্তোৰ কালত প্ৰাপ্ত বয়স্ত লোকৰ আকস্মিক মৃত্যুৰ কোনো সম্পৰ্ক নাই বুলি প্ৰমাণিত হৈছে ।

৩। কোৱাড সদস্য ৰাষ্ট্ৰসমূহে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ ষড়যন্ত্ৰকাৰী আৰু পুঁজি যোগানকাৰীসকলক শীঘ্ৰে আইনৰ কাঠগড়লৈ আনিবলৈ আহ্বান জনাইছে।

৪। কংগ্ৰেছে জামাত এ ইছলামীৰ সমৰ্থনত কেৰালাৰ নিলাম্বুৰ বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনত জয়ী হোৱা বুলি বিজেপিয়ে অভিযোগ কৰিছে।

আৰু

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ এণ্ডাৰৰ্ছন-তেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি বাৰ্মিংহামত আৰম্ভ হ'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ঘানা, ট্ৰিনিডাড আৰু টবাগ', আৰ্জেণ্টিনা ব্ৰাজিল আৰু নামিবিয়াৰ ভ্ৰমণ সূচীৰে ইতিমধ্যে ৰাওনা হৈছে। এই ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰী মোদী আজি ঘানাত উপস্থিত হ'ব। ৰাওনা হোৱাৰ পূৰ্বে দিয়া এটা বিবৃতিত প্ৰধানমন্ত্ৰীয়ে কয় যে গ্ল'ৱেল চাউথ অৰ্থাৎ ঔদ্যোগিক আৰু অৰ্থনৈতিক উন্নয়নৰ দিশৰ পৰা পিছপৰা ৰাষ্ট্ৰসমূহৰ ভিতৰত ঘানা ভাৰতৰ গুৰুত্বপূৰ্ণ সহযোগী ৰাষ্ট্ৰ আৰু দেশখনে আফ্ৰিকীয় সংঘ আৰু পশ্চিম আফ্ৰিকীয় ৰাষ্ট্ৰসমূহৰ অৰ্থনৈতিক সম্প্ৰদায়ৰ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শ্ৰীমোদীয়ে কয় যে ঘানাৰ সৈতে থকা ঐতিহাসিক সম্বন্ধ অধিক ঘনিষ্ঠ কৰিবলৈ আৰু বিনিয়োগ, শক্তি, স্বাস্থ্য, সুৰক্ষা, সামৰ্থ বৃদ্ধি আৰু উন্নয়নমূলক অংশীদাৰিত্বৰ ক্ষেত্ৰত সহযোগীতাৰ নতুন দুৱাৰ মুকলি কৰাৰ উদ্দেশ্যে দেশখনৰ সৈতে আলাপ-আলোচনা কৰিবলৈ তেওঁ আগ্ৰহী। ঘানাৰ ভ্ৰমণ সামৰি শ্ৰী মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ট্ৰিনিডাড আৰু টবাগ'লৈ ৰাওনা হ'ব। তাত তেওঁ দেশখনৰ ৰাষ্ট্ৰপতি ক্ৰিষ্টাইন কাৰ্লা কাংগালো আৰু প্ৰধানমন্ত্ৰী কমলা প্ৰসাদ বিছেছৰক সাক্ষাৎ কৰিব। এই ভ্ৰমণে দেশখনৰ সৈতে থকা ভাৰতৰ প্ৰচীন সম্পৰ্ক পুনৰ উজ্জীবিৰত কৰি তোলাৰ সুযোগ প্ৰদান কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে আশা কৰিছে। ট্ৰিনিডাড আৰু টবাগ'ৰ পৰা শ্ৰীমোদী আৰ্জেণ্টিনালৈ যাব। এয়া হ'ব বিগত ৫৭ বছৰত কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম আৰ্জেণ্টিনা ভ্ৰমণ। লেটিন আমেৰিকাৰ দেশ আৰ্জেণ্টিনাৰ সৈতে ভাৰতৰ অৰ্থনৈতিক সহযোগিতা গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে জি-২০ সদস্য ৰাষ্ট্ৰসমূহৰ ভিতৰত দেশখনে ভাৰতৰ সৈতে ঘনিষ্ঠ সহযোগিতাৰে কাম কৰি

আহিছে। ভ্ৰমণকালত শ্ৰীমোদীয়ে আৰ্জেণ্টিনাৰ ৰাষ্ট্ৰপতি জাভিয়েৰ মাইলৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। এই আলোচনাত উভয় পক্ষৰ বাবে লাভদায়ক সহযোগিতা, বিৰল খনিজ পদাৰ্থ, শক্তি, বাণিজ্য, পৰ্যটন, প্ৰযুক্তি আৰু বিনিয়োগৰ দৰে বিষয়সমূহে স্থান লাভ কৰিব।

ব্ৰাজিলত শ্ৰীমোদীয়ে ছয় আৰু সাত জুলাইত ৰিঅ' ডি জেনেৰিঅ'ত হ'বলগীয়া ব্ৰীকছ্ শীৰ্ষ সন্মিলনত ভাগ ল'ব। তেওঁ কয় যে প্ৰতিস্থাপক সদস্য ৰূপে ভাৰত নিত্য নতুন অৰ্থ ব্যৱস্থাসমূহৰ মাজত সহযোগিতাৰ গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে ব্ৰীকছৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। অধিক শান্তিপূৰ্ণ, সমতাপূৰ্ণ, ন্যায্য, গণতান্ত্ৰিক আৰু সন্তুলিত বহুধ্ৰুৱীয় বিশ্ব শৃংখলাৰ গঢ়ি তোলাৰ বাবে সকলোৱে ঐক্যবদ্ধভাৱে প্ৰচেষ্টা চলোৱা উচিত বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। ব্ৰীকছ্ শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ সুযোগতে শ্ৰীমোদীয়ে কেইবাখনো দেশৰ নেতৃবৰ্গক দেখা কৰিব। তেওঁ দ্বিপাক্ষিক আনুষ্ঠানিক ভ্ৰমণসূচীৰে ব্ৰাচিলীয়ালৈ যাব। এয়া হ'ব বিগত ছটা দশকত কোনো ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম ব্ৰাচিলীয়া ভ্ৰমণ। এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ ঘনিষ্ঠ সম্বন্ধ অধিক সুদৃঢ় কৰাৰ আৰু গ্ৰ'ৱেল চাউথৰ অগ্ৰাধিকাৰৰ বিষয়সমূহ আগবঢ়াই নিয়াৰ বাবে ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইচ এনাচিঅ' লুলা দি চিলভাৰ সৈতে আলোচনা কৰাৰ সুযোগ প্ৰদান কৰিব।

ভ্ৰমণৰ অন্তিম পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী নামিবিয়াত উপস্থিত হ'ব। তাত তেওঁ দেশখনৰ ৰাষ্ট্ৰপতি ড০ নিতম্বো নন্দী নডেটৱাৰ সৈতে বিভিন্ন ক্ষেত্ৰত লাভদায়ক সহযোগিতা সম্পৰ্কে আলোচনা কৰিব। নামিবিয়া ভাৰতৰ নিৰ্ভৰযোগ্য সহযোগী বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে দুয়োখন দেশে ঔপনিবেশিকবাদৰ বিৰুদ্ধে ঐতিহাসিক সংঘৰ্ষত ব্ৰতী হৈছিল। শ্ৰীমোদীয়ে নামিবিয়াৰ সংসদৰ যুটিয়া অধিবেশনতো ভাষণ দিব।

~~000000000~~

ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদ আৰু অখিল ভাৰতীয় আয়ুৰবিজ্ঞান প্ৰতিষ্ঠানৰ বিশদ অধ্যয়ণত কোভিড-১৯ প্ৰতিষেধক আৰু কোভিডত্তোৰ কালত প্ৰাপ্ত বয়স্ত লোকৰ আকস্মিক মৃত্যুৰ কোনো সম্পৰ্ক নাই বুলি নিৰ্ণায়কভাবে প্ৰমাণিত হৈছে বুলি কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে কৈছে যে দেশৰ আগশাৰীৰ চিকিৎসা গৱেষণা প্ৰতিষ্ঠান দুটাৰ অধ্যয়নত ভাৰতত ব্যৱহাৰ হোৱা কোভিড-১৯ প্ৰতিষেধক সুৰক্ষিত আৰু ফলপ্ৰসু বুলি প্ৰমাণিত হৈছে আৰু এনে প্ৰতিষেধকৰ গুৰুতৰ পাৰ্শ্বক্ৰিয়া তেনেই দুৰ্লভ। দেশত আনুবংশিক, জীৱনশৈলী, পূৰ্বৰ অৱস্থা আৰু কোভিডৰ পাছৰ জটিলতাসহ আন কেইবাটাও কাৰকৰ বাবে হৃদৰোগত আক্ৰান্ত হৈ আকস্মিকবাৱে মৃত্যু হোৱা ঘটনা বৃদ্ধি পাইছে বুলি অধ্যয়নত কোৱা হৈছে। ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদ আৰু ৰাষ্ট্ৰীয় ৰোগ নিয়ন্ত্ৰণ কেন্দ্ৰই বিশেষকৈ ১৮ৰ পৰা ৪৫ বছৰ বয়সৰ লোকৰ আকস্মিক আৰু ব্যাখ্যাতীত মৃত্যুৰ কাৰণ জনাৰ বাবে একেলগে কাম কৰি আছে। এনে মৃত্যুৰ কাৰণ উদ্ঘাটন কৰাৰ বাবে অতীতৰ তথ্য আৰু বাস্তৱিক সময়ৰ পৰীক্ষণৰ ভিত্তিত ভিন ভিন গৱেষণা দৃষ্টিভংগীৰ সহায়ত দুটা সুকীয়া অধ্যয়ন অব্যাহত আছে বুলি আমাৰ সংবাদদাতাই  জানিবলৈ দিছে।

000000000

পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ দোষী, সংগঠক আৰু বিত্তীয় সাহায্য দিয়া লোকসকলক অনতিপলমে ন্যায় ব্যৱস্থাৰ অধীনলৈ আনিবলৈ কোৱাড গোষ্ঠীৰ সদস্যসকলে আহ্বান জনাইছে আৰু ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰসমূহক ইয়াৰ বাবে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে। ৱাশ্বিংটন ডিচিত অনুষ্ঠিত কোৱাড বিদেশ মন্ত্ৰীসকলৰ যুটীয়া বিবৃতিত জম্মু কাশ্মীৰৰ পেহেলগামত যোৱা ২২ এপ্ৰিলত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক

কঠোৰভাৱে গৰিহণা দিয়া হৈছে। তেওঁলোকে সীমান্তৰ সিপাৰৰ সন্ত্ৰাসবাদকে ধৰি সকলোধৰণৰ আৰু ৰূপৰ সন্ত্ৰাসবাদক সৰ্বসন্মতভাৱে গৰিহণা দিয়ে। ইয়াৰ উপৰি আন্তঃৰাষ্ট্ৰীয় আইন আৰু ৰাষ্ট্ৰসংঘ নিৰাপত্তা পৰিষদৰ প্ৰস্তাৱৰ অধীনত ৰাষ্ট্ৰসংঘৰ সকলো সদস্য ৰাষ্ট্ৰক সক্ৰিয়ভাৱে সহযোগিতা কৰিবলৈ আহ্বান জনাই বিবৃতিটোত সিদ্ধান্ত গ্ৰহণ কৰা হয়।

কোৱাড গোষ্ঠীয়ে অৰ্থনৈতিক নিৰাপত্তা শক্তিশালী কৰাৰ বাবে Quad Critical Minerals Initiative আৰম্ভ কৰাৰ কথাও ঘোষণা কৰে। এই পদক্ষেপৰ লক্ষ্য হৈছে সমগ্ৰ ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত গুৰুত্বপূৰ্ণ খনিজ যোগান শৃংখলা সুৰক্ষিত আৰু বৈচিত্ৰপূৰ্ণ কৰাৰ বাবে অৰ্থনৈতিক সুৰক্ষা আৰু সামুহিক স্থিতিস্থাপকতা শক্তিশালী কৰা। কোৱাড নেতাসকলে মুম্বাইত Quad Ports of the Future Partnership মুকলি কৰাৰ পৰিকল্পনা কৰিছে। এই বৰ্ষত সামুহিক লজিষ্টিক শক্তিসমূহৰ লাভ অৰ্জন কৰিবলৈ প্ৰথম কোৱাড ভাৰত-প্ৰশান্ত মহাসাগৰীয় লজিষ্টিক নেটৱৰ্কৰ ক্ষেত্ৰ প্ৰশিক্ষণ অনুশীলন আয়োজন কৰাৰ সিদ্ধান্ত কোৱাড গোষ্ঠীয়ে ঘোষণা কৰে। বিবৃতিটোত লগতে কোৱা হয় যে কোৱাড মুক্ত আৰু মুকলি ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চল প্ৰতি দায়বদ্ধ। গোষ্ঠীটোৰ সদস্য ৰাষ্ট্ৰসমূহে চাইবাৰ অপৰাধ আৰু অনলাইন প্ৰৱঞ্চনাৰ বিৰুদ্ধে যুঁজিবলৈ সন্মত হয়। ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ প্ৰধান গণতন্ত্ৰসমূহ প্ৰতিনিধিত্ব কৰা ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰ আমেৰিকাৰ বিদেশ সচিব মাৰ্কো ৰুবিঅ', অষ্ট্ৰেলিয়াৰ বিদেশ মন্ত্ৰী পেনি ৰং আৰু জাপানৰ বিদেশ মন্ত্ৰী তাকেচি ইৱা য়াই এই বিবৃতিত সহমতত উপনীত হয়।

০০০০০০০০০

কোৱাড বিদেশ মন্ত্ৰীসকলে মুক্ত আৰু মুকলি প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ প্ৰতি নিজৰ প্ৰতিশ্ৰুতি দৃঢ়তাৰে ব্যক্ত কৰিছে আৰু বলপূৰ্বকভাৱে স্থিতাৱস্থা সলনি কৰিব বিচৰা যিকোনো একপক্ষীয় কাৰ্যৰ বিৰোধিতা কৰিছে। গোষ্ঠীটোৰ সদস্যসকলে পূব চীন সাগৰ আৰু দক্ষিণ চীন সাগৰৰ পৰিস্থিতিক লৈ গুৰুতৰ উদ্বেগ প্ৰকাশ কৰিছে। তেওঁলোকে এটা যৌথ বিবৃতিত আইনৰ শাসন, সাৰ্বভৌমত্ব আৰু ভূখণ্ডৰ অখণ্ডতা ৰক্ষাৰ প্ৰতিশ্ৰুতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিবৃতিটোত সদস্য দেশসমূহে বিপদজনক আৰু প্ৰৰোচিতমূলক কাৰ্য বিশেষকৈ দক্ষিণ-চীন সাগৰত পানী হিলৈৰ অসুৰক্ষিত ব্যৱহাৰ আৰু ৰেমিং বা বাধা দিয়া কাৰ্য সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰিছে। সদস্য ৰাষ্ট্ৰসমূহে কয়, যে এনে কাৰ্যই অঞ্চলটোৰ শান্তি আৰু সমৃদ্ধিৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। তেওঁলোকে ৰাষ্ট্ৰসংঘৰ সাগৰীয় আইন চুক্তিত প্ৰতিফলিত হোৱা জাহাজ চলাচল আৰু আকাশী উৰণৰ স্বাধীনতা সাগৰৰ অন্যান্য ন্যায্য ব্যৱহাৰ আৰু আন্তঃৰাষ্ট্ৰীয় আইনৰ সৈতে সামঞ্জস্যপূৰ্ণ আৰু নিৰৱচ্ছিন্ন বেপাৰ-বাণিজ্য নিশ্চিত কৰাত গুৰুত্ব আৰোপ কৰে। সামুদ্ৰিক বিবাদসমূহ শান্তিপূৰ্ণভাৱে আৰু আন্তঃৰাষ্ট্ৰীয় আইন অনুসৰি সমাধান কৰিবলৈ কোৱাড গোষ্ঠীয়ে আহ্বান জনায়। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ একাধিক প্ৰস্তাৱ উলংঘা কৰি উত্তৰ কোৰিয়াই বেলিষ্টিক ক্ষেপনাস্ত্ৰ প্ৰযুক্তি ব্যৱহাৰ কৰি উৎক্ষেপন কৰা অস্ত্ৰ আৰু দেশখনে পাৰমাণৱিক অস্ত্ৰ গোটোৱাক লক্ষ্য হিচাপে লোৱা কথাটোত কোৱাডৰ বিদেশ মন্ত্ৰীসকলে বিবৃতিটোত গৰিহণা দিয়ে।

০০০০০০০০০

কংগ্ৰেছে জামাত এ ইছলামীৰ সমৰ্থনত কেৰালাৰ নিলাম্বুৰ বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনত জয়ী হোৱা বুলি বিজেপিয়ে অভিযোগ কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কেৰালা বিজেপিৰ ৰাজ্যিক সভাপতি ৰাজীৱ চন্দ্ৰ চেখৰে কংগ্ৰেছে তোষামোদৰ ৰাজনীতি কৰা বুলি অভিযোগ কৰে।

তেওঁ কয় যে ২০১৮ চনত প্ৰাক্তন মুখ্যমন্ত্ৰী কংগ্ৰেছৰ অ'মেন চান্দীয়ে জামাত এ ইছ্‌লামী বিপদজনক ৰাষ্ট্ৰবিৰোধী সংস্থা বুলি প্ৰকাশ কৰিছে।

000000000

ভাৰত আৰু ইংলেণ্ডৰ মাজ ৰ পাঁচখনীয়া এন্দাৰ্ছন-তেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি বাৰ্মিংহামত আৰম্ভ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ চাৰে তিনি বজাত আৰম্ভ হব। ইয়াৰ পূৰ্বে ভাৰত আৰু ইংলেণ্ডৰ মাজত অনুষ্ঠিত প্ৰথমখন টেষ্টত ভাৰত পাঁচ উইকেটত পৰাস্ত হৈছিল। দ্বিতীয়খন টেষ্টৰ বাবে বুমৰা উপলব্ধ বুলি অধিনায়ক শুভমন গীলে নিশ্চিত কৰিছে। অৱশ্যে টীম মেনেজমেণ্টৰ বৈঠকত বুমৰাৰ অন্তৰ্ভুক্তিৰ বিষয়ে চূড়ান্ত সিদ্ধান্ত লোৱা হ'ব। বুমৰাক বিশ্ৰাম দিলে আকাশদীপক ১১ জনীয়া দলত স্থান দিয়া হ'ব পাৰে। ১১ জনীয়া দলত দুগৰাকী স্পিনাৰকো অন্তৰ্ভুক্ত কৰা হ'ব পাৰে। এনে হ'লে ৱাশ্বিংটন সুন্দৰে দলত স্থান লাভ কৰিব পাৰে। ইফালে, প্ৰথমখন টেষ্টত দুৰ্বল প্ৰদৰ্শনৰ বাবে পেচ বলিং অল ৰাউণ্ডাৰ শাৰদুল ঠাকুৰৰ ঠাইত নীতিশ কুমাৰ ৰেড্ডীয়ে খেলাটো প্ৰায় নি শ্চিত হৈছে। ইংলেণ্ডে দ্বিতীয়খন টেষ্টৰ বাবে জোফ্ৰা আৰ্চাৰক দলত অন্তৰ্ভুক্ত কৰাৰ পিছতো ইতিমধ্যে অপৰিৱৰ্তিত একাদশৰ নাম ঘোষণা কৰিছে। ভাৰত আৰু ইংলেণ্ডৰ মাজত তৃতীয়খন টেষ্ট মেচ ১০ জুলাইৰ পৰা লণ্ডনত আৰম্ভ হ'ব।

000000000

সমাপ্ত